**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 31-03-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**HEADLINES**

১। চলিত বিত্তীয় বৰ্ষৰ আজি সামৰণি। বিয়লি ৫ বজাৰ ভিতৰত বিত্তীয় বৰ্ষৰ সকলো আৰ্থিক লেনদেন শেষ কৰাৰ বাবে কোষাগাৰৰ বিষয়াবৰ্গক ৰাজ্যৰ বিত্ত বিভাগৰ নিৰ্দেশনা।

২। ৰাজ্যৰ নতুন মুখ্য সচিব হিচাপে ড০ ৰবি কোটাৰ আজি আনুষ্ঠানিকভাৱে দায়িত্বভাৰ গ্ৰহণ।

৩। লোকসভা নিৰ্বাচনৰ পাছতেই ৰাজ্যত বহু বিবাহ প্ৰথা বন্ধ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

৪। বিশিষ্ট ভাষাবিদ, সাহিত্যচাৰ্য বিশ্বেশ্বৰ হাজৰিকাৰ মৃত্যু। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট টাইটানছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ আৰু দেলহি কেপিটেলছ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি।

০০০০০০০

চলিত বিত্তীয় বৰ্ষৰ আজি অন্ত পৰিব সেই অনুসাৰে দিনৰ ১ বজালৈ কোষাগাৰসমূহে কেন্দ্ৰীয় আঁচনিৰ বিল, চেকসমূহ গ্ৰহণ কৰিব। উল্লেখযোগ্য যে ৰাজ্যৰ বিত্ত বিভাগে আজি ৫ বজাৰ ভিতৰত বিত্তীয় বৰ্ষৰ সকলো আৰ্থিক লেন-দেন শেষ কৰিবলৈ কোষাগাৰৰ বিষয়াবৰ্গক নিৰ্দেশ দিছে। বিত্ত বিভাগে যোৱা ২৮ মাৰ্চত দিয়া নিৰ্দেশনাত সকলো চৰকাৰী বিল, চেক আদি কোষাগাৰত জমা দিয়াৰ অন্তিম দিন ধাৰ্য্য কৰি দিছিল যদিও এক সংশোধিত নিৰ্দেশনা জাৰি কৰি কালি বিয়লি ৬ বজা পৰ্যন্ত দৰমহা পেঞ্চনৰ বাদে আন সকলো বিল গ্ৰহণৰ সময়সীমা নিৰ্ধাৰণ কৰি দিয়ে।

০০০০০০০

ৰাজ্যৰ নতুন মুখ্য সচিব হিচাপে ড০ ৰবি কোটাই আজি আনুষ্ঠানিকভাৱে দায়িত্ব গ্ৰহণ কৰিব। ১৯৯৩ চনৰ কেডাৰৰ আই এ এছ বিষয়া ড০ কোটাই বৰ্তমানৰ মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰৰ স্থলাভিষিক্ত কৰা হ'ব। সেই মৰ্মে ৰাজ্যৰ কৰ্মচাৰী বিভাগে কালি এটা অধিসূচনাযোগে তেওঁক বিত্ত বিভাগৰ দায়িত্বৰ পৰা অব্যাহতি দিছে। অৱশ্যে মুখ্য সচিবৰ পদত অধিষ্ঠিত হোৱাৰ পিছতো তেওঁৰ হাতত উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ দায়িত্ব থাকিব । ড০ কোটাৰ কাৰ্যকাল ২০২৬ চনৰ ৩০ এপ্ৰিলত অন্ত পৰিব। ইপিনে, তেওঁতকৈ জ্যেষ্ঠ কেডাৰ বিষয়া ৰবিশংকৰ প্ৰসাদ, ছৈয়দ্দিন আববাছী আৰু আশিস কুমাৰ ভূটানীক বিশেষ মুখ্য সচিবৰ দায়িত্ব অৰ্পণ কৰা হৈছে।

০০০০০০০

লোকসভা নিৰ্বাচনৰ পাছতেই ৰাজ্যত বহু বিবাহ প্ৰথা বন্ধ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী দিলীপ শইকীয়াৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ অন্তত সাংবাদিকৰে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰী ড০ শৰ্মাই উত্তৰ পূৰ্বাঞ্চলত এন ডি এয়ে প্ৰায় ২২খন আসন লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। ৰাজ্যত বিজেপিৰ শাসনকালত সকলো জনগোষ্ঠীৰ লোকে সহজভাৱে শান্তিৰে বসবাস কৰি আছে বুলি উল্লেখ কৰি সকলো দিশতে সম উন্নয়ন হোৱা বুলিও তেওঁ মত প্ৰকাশ কৰে। এন ডি এয়ে অসমত ১৩খন আসন লাভৰ দিশে আগবাঢ়ি যোৱা বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে।

০০০০০০০

যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত কালি সমাগত লোকসভা নিৰ্বাচনৰ বাবে যোৰহাট লোকসভা সমষ্টিৰ প্ৰাৰ্থী আৰু ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলৰ সৈতে সাধাৰণ পৰ্যবেক্ষক আৰু জিলা প্ৰশাসনৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত নিৰ্বাচনী আচৰণ বিধি, ব্যয় পৰ্যবেক্ষণ, ডাক বেলট, দ্বিতীয় পৰ্যায়ৰ ইভিএম তথা ভোটদান কেন্দ্ৰ আৰু নিয়ন্ত্ৰণ কক্ষসমূহৰ বিভিন্ন দিশৰ ওপৰত বিশদভাৱে আলোচনা কৰা হয়।

০০০০০০০

যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্গত শিৱসাগৰ নিৰ্বাচনী জিলাত নিৰ্বাচনৰ প্ৰস্তুতি ক্ষীপ্ৰ গতিৰে আগবাঢ়িছে। এই প্ৰস্তুতিৰ অংশ হিচাপে কালি জিলাখনত নিৰ্বাচনৰ দায়িত্বত নিয়োজিত প্ৰিজাইডিং আৰু প্ৰথম পোলিং বিষয়াৰ দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। শিৱসাগৰ বিশ্ববিদ্যালয়, শিৱসাগৰ ছোৱালী মহাবিদ্যালয় আৰু শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ত এই প্ৰশিক্ষণ অনুষ্ঠিত হয়।মুঠ ৪২ গৰাকী সমল ব্যক্তিয়ে প্ৰশিক্ষণ প্ৰদান কৰা কাৰ্যসূচীত মুঠ এহেজাৰ ২০০ গৰাকী বিষয়াক প্ৰশিক্ষণ প্ৰদান কৰা হয়।

০০০০০০০

বিজেপিয়ে আসন্ন লোকসভা নিৰ্বাচনৰ বাবে ১১ গৰাকী প্ৰাৰ্থীৰ আৰু এখন তালিকা প্ৰকাশ কৰিছে। সেই অনুসৰি ভৰ্ত্ৰুহৰি মেহতাব কটক সংসদীয় সমষ্টিৰ পৰা বিজেপিৰ প্ৰাৰ্থী হ'ব। একেদৰে আমেৰিকাত থকা ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰদূত তৰণজিৎ সিং সাধু অমৃতসৰৰ পৰা বিজেপিৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। হংসৰাজ হংস ফৰিদকোট, প্ৰীনিত কৌৰ পাটিয়ালা, ৰৱনিৎ সিং বিট্টু লুধিয়ানা আৰু সুশীল কুমাৰ ৰিংকুই জলন্ধৰৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। আনহাতে গুৰদাসপুৰ সমষ্টিৰ সাংসদ তথা বলীউদৰ অভিনেতা ছানী দেউলক এইবাৰ বিজেপিয়ে সমষ্টিটোৰ পৰা প্ৰাৰ্থিত্ব প্ৰদান নকৰিলে। ইয়াৰ বিপৰীতে দলটোৱে সমষ্টিটোৰ পৰা দীনেশ সিং বাবুক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে।

০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মিৰাটৰ এখন নিৰ্বাচনী সভাত ভাষণ দি উত্তৰ প্ৰদেশত নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিব। বিজেপিয়ে মিৰাট সংসদীয় সমষ্টিত টেলিভিছনৰ ধাৰাবাহিক ৰামায়ণৰ জৰিয়তে খ্যাতি অৰ্জন কৰা অৰুণ গোভিলক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথ, ৰাষ্ট্ৰীয় লোকদলৰ সভাপতি জয়ন্ত চৌধৰী আৰু বিজেপিৰ আন ভালেসংখ্যক নেতা সভাত উপস্থিত থাকিব। বিজেপি নেতৃত্বাধীন এন ডি এ মিত্ৰজোঁটে কেন্দ্ৰত পুনৰ ক্ষমতালৈ আহিব বুলি আস্থা প্ৰকাশ কৰিছে আৰু এইক্ষেত্ৰত উত্তৰ প্ৰদেশৰ ফলাফল অতিকৈ গুৰুত্বপূৰ্ণ হ'ব বুলি আশা প্ৰকাশ কৰিছে। উত্তৰ প্ৰদেশত সৰ্বাধিক ৮০টা সংসদীয় সমষ্টি আছে।

০০০০০০০

প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী তথা বিজেপিৰ বৰ্ষীয়ান নেতা লালকৃষ্ণ আদৱানীক আজি ৰাষ্ট্ৰপতিয়ে আনুষ্ঠানিকভাৱে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্ন প্ৰদান কৰিব। কালি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰপতি ভৱনত আয়োজিত বিশেষ অনুষ্ঠানত এইবছৰৰ ভাৰতৰত্ন সন্মান প্ৰদান কৰে। কিন্তু বজেপিৰ বৰ্ষীয়ান নেতাগৰাকীক শাৰীৰিক অসুস্থতাৰ বাবে কালি অনুষ্ঠানত উপস্থিত থাকিব নোৱাৰাত আজি তেওঁক বাসগৃহতে এই সন্মান প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি প্ৰাক্তন প্ৰধানমন্ত্ৰী চৌধাৰী চৰণ সিং আৰু পি ভি নৰসিংহ ৰাওৰ লগতে বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কপুৰী ঠাকুৰ আৰু যশস্বী বিজ্ঞানী এম এছ স্বামীনাথনক মৰণোত্তৰভাৱে ভাৰতৰত্ন সন্মানেৰে সন্মানিত কৰে। এই অনুষ্ঠানত আটাইকেইগৰাকী সন্মানপ্ৰাপকৰ পৰিয়ালৰ লোকে ভাৰত ৰত্ন সন্মান গ্ৰহণ কৰে।

০০০০০০০

অৰুণাচল প্ৰদেশ বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিনা কালি ১০ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। অহা ২ জুনত অৰুণাচল প্ৰদেশ বিধানসভাৰ কাৰ্যকালৰ অন্ত পৰিব আৰু ৰাজ্যখনত লোকসভাৰ লগতে বিধানসভা নিৰ্বাচনো অনুষ্ঠিত হ'ব। ইপিনে, ৰাজ্যখনৰ ৫টা বিধানসভা সমষ্টিত মাত্ৰ এজনকৈ প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰাৰ ফলত টাৱাং জিলাৰ মুক্তো সমষ্টিৰ পৰা মুখ্যমন্ত্ৰী পেমা খাণ্ডুৰ লগতে আন ৫টা সমষ্টিৰ পৰা ৫ গৰাকী বিজেপি প্ৰাৰ্থী জয়ী হয়। কালি ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিনটোত কেইবাগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰাত আন ৫টা সমষ্টিতো ৫ গৰাকী বিজেপি প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী হয়। ফলত ৰাজ্যখনৰ ৬০ খন আসনবিশিষ্ট বিধানসভাত ভোটগ্ৰহণ অনুষ্ঠিত নোহোৱাকৈ বিজেপিয়ে ১০ খন আসন দখল কৰিবলৈ সমৰ্থ হয়।

০০০০০০০

বিশিষ্ট ভাষাবিদ, সাহিত্যচাৰ্য বিশ্বেশ্বৰ হাজৰিকাৰ যোৱা নিশা গুৱাহাটী মহানগৰীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা বিশিষ্ট ভাষাতত্ত্ববিদগৰাকীক যোৱা ২৮ মাৰ্চত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। ৯০ উৰ্ধৰৰ প্ৰাক্তন অধ্যাপকগৰাকীৰ স্বাস্থ্যৰ অৱস্থা অধিক জটিল হোৱাত দুদিনপূৰ্বে তেওঁক ভেণ্টিলেটৰত ৰাখি চিকিৎসা প্ৰদান কৰা হৈছিল। আজি পুৱা তেওঁৰ নশ্বৰ দেহ চানমাৰিৰ নিজৰাপাৰত থকা নিজ বাসগৃহলৈ অনাৰ পাছত দুপৰীয়া নৱগ্ৰহ শ্মশানত শেষকৃত্য সম্পন্ন কৰা হ'ব।

উল্লেখযোগ্য যে ড০ বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থ **আছামিছ ইটছ ফৰ্মেছন এণ্ড ডেভেলপমেণ্ট**ক **অসমীয়া ভাষা ঃ ইয়াৰ গঠন আৰু ক্ৰমবিকাশ** নামেৰে ১৯৯৬ চনত অনুবাদ কৰি তেওঁ অসমীয়া ভাষা সাহিত্যলৈ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াইছিল। তদুপৰি তেওঁ **অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশ, চৰ্যাগীতিকোষ** আদিৰ গ্ৰন্থ ৰচনাৰ লগতে ২০০৩ চনত অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ প্ৰথম খণ্ড সম্পাদনা কৰিছিল। ১৯৩৩ চনৰ ৩১ জুলাইত গোলাঘাটৰ বাৰমুখীয়া গাঁৱত জন্মগ্ৰহণ কৰা হাজৰিকাই সামগ্ৰিক অসমীয়া অভিধানৰ মুখ্য সম্পাদকৰ দায়িত্ব পালন কৰাৰ লগতে ২০১৫ চনত অসমীয়া-বড়ো-ৰাভা ত্ৰিভাষিক অভিধান এখনো প্ৰণয়ন কৰিছিল।

০০০০০০০

বিগত বছৰৰ দৰে আজি কামৰূপ জিলা দিৱস দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰিবলৈ লোৱা হৈছে। কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত জিলাখনৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদত আয়োজন কৰা জিলা দিৱসৰ কাৰ্যসূচীৰ অংশ হিচাপে আজি পুৱা ১০ বজাত আমিনগাঁৱৰ সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ চৌহদত বীৰ লাচিত বৰফুকনৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰা হ'ব। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি কামৰূপ জিলাৰ ঐতিহাসিক পটভূমি আৰু কামৰূপ জিলাৰ পৰ্যটন বিষয়ৰ ওপৰত আলোকপাত কৰা হ'ব। তদুপৰি জিলা দিৱসৰ কাৰ্যসূচীত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদান প্ৰক্ৰিয়াত জনসাধাৰণৰ অংশগ্ৰহণৰ গুৰুত্ব সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে শুংভকৰ আৰু সংগীত উন্মোচনৰ লগতে ব্ৰেণ্ড এম্বেছেডৰৰ পৰিচয় আৰু সম্বৰ্ধনা পৰ্বও অনুষ্ঠিত হ'ব। অনুষ্ঠানৰ লগত সংগতি ৰাখি দৰ্শকৰ মাজত মুকলি কুইজ প্ৰতিযোগিতা আৰু সাংস্কৃতিক অনুষ্ঠানৰ লগতে জিলা পৰিবহণ বিভাগৰ উদ্যোগত পথ সুৰক্ষাৰ ওপৰত সজাগতা সৃষ্টিৰ বাবে বাটৰ নাটৰো আয়োজন কৰা হৈছে।

০০০০০০০

ভাৰতীয় জনতা পাৰ্টিৰ শিৱসাগৰ জিলা আইন কোষৰ উদ্যোগত কালি শিৱসাগৰত এখন অধিবক্তা সন্মিলন অনুষ্ঠিত হয়। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা বিজন মহাজনে এই সন্মিলনত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰে। শ্ৰী মহাজনে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে নতুন আইন প্ৰণয়ন আৰু সংশোধনৰ জৰিয়তে জনসাধাৰণক ন্যায় প্ৰদান কৰাৰ বিষয়ে বক্তব্য প্ৰদান কৰে।

০০০০০০০

চলিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি খেল দুখন অনুষ্ঠিত হ'ব। ইয়াৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত গুজৰাট টাইটানছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব। আনহাতে সন্ধিয়া চাৰে ৭ বজাত বিশাখাপট্টনমত হ'বলগীয়া দ্বিতীয়খন খেলত দেলহি কেপিটেলছ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব।

ইপিনে যোৱা নিশা লক্ষ্ণৌৰ অটল বিহাৰী বাজপেয়ী একানা ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে পাঞ্জাব কিংছক ২১ ৰানত পৰাস্ত কৰে। পাঞ্জাব কিংছে ২০০ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ১৭৮ ৰানহে কৰিবলৈ সমৰ্থ হয়। পাঞ্জাব কিংছৰ হৈ অধিনায়ক শিখৰ ধৱনে সৰ্বাধিক ৭০ ৰান কৰে। জ'নি বেয়ৰষ্ট'ই ৪২ ৰানৰ বৰঙণি আগবঢ়ায়। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ ময়ংক যাদৱে ৩টা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৯৯ ৰান কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ হৈ কুইণ্টন ডি ক'কে ৫৪ ৰান কৰাৰ বিপৰীতে ক্ৰুনাল পাণ্ডিয়াই ৪৩ ৰানৰ বৰঙণি আগবঢ়ায়। পাঞ্জাব কিংছৰ হৈ ছেম কুৰেনে ৩টা উইকেট দখল কৰে। ময়ংক যাদৱক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০০

বতৰ বিজ্ঞান বিভাগে সোমবাৰ পৰ্যন্ত উত্তৰ-পূৰ্বাঞ্চলত ধুমুহা-বৰষুণ অব্যাহত থাকিব পাৰে বুলি আগলি বতৰা দিছে। এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত ধাৰাসাৰ বৰষুণ হ'ব পাৰে। বতৰ বিজ্ঞান বিভাগে ওড়িশা, পশ্চিমবংগৰ গংগা নৈৰ কাষৰীয়া অঞ্চল, ঝাৰখণ্ড, পূব মধ্যপ্ৰদেশ, মধ্য মহাৰাষ্ট্ৰ, বিদৰ্ভ আৰু চত্তিশগড়ত আজি পৰ্যন্ত বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে। বিভাগটোৱে লগতে উত্তৰ কৰ্ণাটক, তেলেংগানা আৰু ৰায়েলছিমাত বুধবাৰলৈ গ্ৰীষ্ম প্ৰবাহৰ প্ৰকোপ অব্যাহত থাকিব পাৰে বুলি আগলি বতৰা দিছে। পৰৱৰ্তী ২-৩ দিনত মধ্য আৰু পূব ভাৰতৰ ভালেমান অংশত সৰ্বাধিক তাপমাত্ৰা ২ৰ পৰা ৩ ডিগ্ৰী ছেলছিয়াছ বৃদ্ধি পাব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে পূৰ্বানুমান কৰিছে।

০০০০০০০

চাৰিগৰাকী যশস্বী ব্যক্তিক মৰণোত্তৰভাৱে ভাৰত ৰত্ন প্ৰদান,আজি ৰামলীলা ময়দানত আজি লোকতন্ত্ৰ বচাও ৰেলী, বিজেপি নিৰ্বাচনী ইস্তাহাৰ কমিটীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা-ৰাজনাথ সিঙৰ নেতৃত্বত ২৭ জনীয়া কমিটী আদি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। ত্ৰিপুৰা, মণিপুৰ আৰু অসমত মাছৰ সৰ্বাধিক ব্যৱহাৰ হোৱাৰ বাতৰি এটা **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টি বৃন্দাবনী বস্ত্ৰক নতুন প্ৰজন্মৰ সন্মুখত তুলি ধৰাৰ বাবে মাজুলীৰ শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰই গ্ৰহণ কৰা বিশেষ ব্যৱস্থাৰ বাতৰি **অসমীয়া প্ৰতিদিন কাকতে** গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দেশত জাল নোট দেশত প্ৰচলনৰ ক্ষেত্ৰত অসমৰ পৰাই বৃহৎ চক্ৰ সক্ৰিয় হৈ আহিছে-এই বাতৰিটো **দৈনিক অগ্ৰদূত কাকতে** তথ্য সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

নিৰ্বাচনৰ পাছতেই বন্ধ কৰা হ'ব বহুবিবাহ প্ৰথাঃ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি এইদৰে কৰা ঘোষণা বাতৰি **দৈনিক অসম কাকতে** প্ৰথম পৃষ্ঠাত স্থান দিছে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড় ভ্ৰমণ কৰি বিভিন্ন সত্ৰত আশিস গ্ৰহণ কৰাৰ বাতৰি **দৈনিক জনভূমি কাকতে** আলোক চিত্ৰসহ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

লোকসভা নিৰ্বাচনৰ প্ৰাকক্ষণত নিৰ্বাচন আয়োগৰ নিৰ্দেশৰ পাছতে ৰাজ্যৰ থানাসমূহত ১২ হাজাৰৰো অধিক বৈধ মাৰণাস্ত্ৰ জমা হোৱাৰ বাতৰি **আমাৰ অসম কাকতে** প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বুনিয়াদী শিক্ষাৰ মাধ্যম হ'ব মিচিং-ৰাভা-কাৰ্বি-তিৱা-ডিমাচা-দেউৰী-নতুন শৈক্ষিক বৰ্ষৰ পৰা কেইবাটাও জনজাতীয় ভাষা বুনিয়াদী পৰ্যায়ত শিক্ষাৰ মাধ্যম হিচাপে স্বীকৃতি লাভ কৰাৰ বাতৰি **নিয়মীয়া বাৰ্তা, দ্যা চেণ্টিনেল** আদি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি বিত্তীয় বৰ্ষৰ অন্তিম দিনা কোষাগাৰসমূহৰ লগতে পৰিবহণ বিষয়াৰ কাৰ্যালয়ো খোলা থকাৰ বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে-পৱন ডাভুলুৰি মাইক্ৰ'ছফ্টৰ মুৰব্বী নিযুক্ত, বৰপেটা ৰোডত পথ দুৰ্ঘটনাত তিনি শিশুৰ মৃত্যু, শিক্ষাবিদ অনুপ কুমাৰ গগৈৰ মৃত্যু ইত্যাদি ।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিৰ চমু অৱলোকন।

০০০০০০০

ঃসমাপ্তঃ